# ।। প্রথম অধ্যায় ।।

# প্ৰথম অধ্যায়

## মৌখিক সাহিত্যৰ সাধাৰণ পৰিচয় আৰু মায়ঙৰ লোক-সাহিত্য

১.০ কোনো এটা জাতিৰ ব্যক্তিগত বা সামূহিক ভাৱচিন্তা, আবেগ অনুভূতিৰ বিকাশ আৰু প্ৰকাশ হয় সেই জাতিৰ সাহিত্যৰ জৰিয়তে। ভাষাই লিখিত ৰূপ পোৱাৰ আগেয়ে যিবোৰ গীত-মাত, প্ৰবচন-পটন্তৰ, সাধুকথা, ফকৰা-যোজনা, মন্ত্ৰ মানুহৰ মাজত মুখে মুখে প্ৰচলিত হৈ আছিল সেইবোৰেই মৌখিক সাহিত্য। পৃথিৱীৰ প্ৰত্যেক দেশৰে সকলো জাতিৰে মাজত মৌখিক সাহিত্যৰ পৰম্পৰা প্ৰচলিত আছে। নিৰক্ষৰ জনসমাজত গীত-মাত, সাধুকথা, যোজনা-পটন্তৰ, মন্ত্ৰসমূহ মৌখিকভাৱেই ৰচিত হৈ পুৰুষানুক্ৰমে সংৰক্ষিত হৈ আহিছে। এনেদৰে অতি প্ৰাচীন কালতে উদ্ভৱ হৈ পুৰুষাণুক্ৰমে মুখ বাগৰি নতুন সংযোজন বা বিয়োগ হৈ অহা গীত-মাত-কাহিনীবোৰেই মৌখিক সাহিত্য। যুগ পৰিবেশনৰ প্ৰভাৱত পৰি ভাষাই আধুনিক গঢ় লয় তথাপি নিজস্ব ৰূপ নেহেৰুৱায়।

১.১ কোনো এটা জাতিৰ সাহিত্যৰ মূলভেটি মৌখিক সাহিত্য। সকলো জাতিৰ আশা-আকাংক্ষা, জাতিটোৰ পূৰ্ব পুৰুষৰ পৰিচয়, অৰ্থনীতি, সামাজিক অৱস্থা, ৰাজনীতি, ধৰ্মীয় জীৱনৰ প্ৰতিচ্ছৱি ফুটি উঠে মৌখিক সাহিত্যৰ জৰিয়তে। একোটা জাতিৰ সামূহিক বা ব্যক্তিগত চিন্তাধাৰা আৰু সঞ্চিত অভিজ্ঞতা স্মৃতিৰ জৰিয়তে সম্প্ৰসাৰিত হৈ আহিছে লোকসমাজত। লিখিত সাহিত্যৰ ভেটিও মৌখিক সাহিত্য। এই ভেটি যিমানেই মজবুত হ'ব, সুদৃঢ় সাহিত্যৰ দৌল বান্ধিবলৈ সিমানেই সহজ অৰ্থাৎ সমৃদ্ধিশালী হ'ব।

মৌখিক সাহিত্যৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে ঘাইকৈ চহা বা গ্ৰাম্য সমাজখনত। 'মৌখিক সাহিত্যৰ (গীত-পদ, লোককথা, প্ৰবাদ-প্ৰবচন, সাঁথৰ, দিষ্টান) মূল শিপাডাল বিস্তীৰ্ণ শ্ৰমজীৱী জনসাধাৰণৰ জীৱনৰ সৈতেহে সম্পৃক্ত।'[১] শ্ৰমজীৱী জনসাধাৰণৰ শ্ৰমৰ যন্ত্ৰণা লাঘৱ কৰিবলৈ অথবা আনন্দ বিনোদনৰ উদ্দেশ্যে অথবা কৃষিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰাৰ উদ্দেশ্যে এই সাহিত্য মৌখিকভাৱে ৰচনা কৰি আহিছে।

---

১ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ২৭

লোক-সাহিত্য ব্যক্তি নিৰপেক্ষ। যদিও ব্যক্তিয়ে ৰচনা কৰে কিন্তু তাৰ বিস্তৃতি ব্যক্তিগত হৈ নাথাকি সামাজিক হৈ পৰে। ব্যক্তি বিশেষৰ ৰচনা হ'লেও তাত ব্যক্তি চেতনা নাথাকে, থাকে সামাজিক চেতনা। আনহাতে লিখিত সাহিত্যত ব্যক্তি পৰিচয়, চেতনা লক্ষ্য কৰা যায়। মৌখিক সাহিত্যও লিখিত সাহিত্যত প্ৰবেশ কৰিব পাৰে। তাৰ পিছতো আকৌ মৌখিক হৈ পৰিব পাৰে।

মৌখিক সাহিত্যক বিভিন্নজনে বিভিন্ন পদেৰে সূচিত কৰিছে। উইলিয়াম আৰ. বেচকমে মৌখিক সাহিত্যক 'বাচিক কলা বা Verbal Art' বুলিছে [২] বাচিক কলা বা Verbal Art এ মৌখিক পৰম্পৰাক সূচায়। আৰ. এম ডৰচনে মৌখিক সাহিত্য বুজাবলৈ Expressve Literature শব্দটো ব্যৱহাৰ কৰিছিল।[৩] উইলিয়াম আৰ বেচকমৰ মতে "The concept of verbal art avoids all these difficulties, and has the further advantage of emphasizing the essential features which distinguished the folk-tale myth, proverb and related forms."[৪] Varbal art অৰ্থাৎ মৌখিক কলা পৰিভাষাই সকলোধৰণৰ সমস্যা সমাধান কৰে। মৌখিক পৰম্পৰাত জীয়াই থাকে বাবে এই সাহিত্য মৌখিক সাহিত্য। আনহাতে ইয়াৰ মৌখিক ৰূপটো মুখে মুখে প্ৰচলিত হৈ বিভিন্ন লোক-সাহিত্যৰ সৃষ্টি কৰে। তাৰ উপৰিও লিখিত মহাকাব্যৰ ওপৰত ভিত্তি কৰিও মৌখিক সাহিত্যই গতি লাভ কৰিব পাৰে। কাৰবি ৰামায়ণ বা ছাবিন আলুন দীঘলীয়া মালিতাৰ ৰূপত মুখ পৰম্পৰাৰূপে প্ৰচলিত হৈ আছিল। কিছুবছৰ আগতেহে ই লিখিত ৰূপ লাভ কৰে। মালিতাটো মাধৱ কন্দলীৰ দ্বাৰা অনুদিত ৰামায়ণৰ মৌখিক ৰূপ মাথোন। গতিকে ক'ব পৰা যায় যে সাহিত্যৰ বিষয়বস্তু লিখিতই হওক বা মৌখিকেই হওক লোক-সাহিত্যৰ অঙ্গীভূত হ'ব পাৰে আৰু ই ঘাইকৈ নিৰ্ভৰ কৰে লোকসমাজৰ জনপ্ৰিয়তাৰ ওপৰত।

লোক সাহিত্যক কোনো লোকতত্ত্ববিদে লোকশ্ৰুতি বা লোকতত্ত্ব (Folklore)

---

২ Bascom W. R. : Contributions to Folkloristrics, P. 67

৩ Dorson, R. M (ed) : Folklore and Folklife, Introduction, P. 2

৪ Bascom, W. R. : Contributions to Folkloristrics, Meerut, 1981, P. 67

T 1784

আখ্যা দিছে কাৰণ ইয়াৰ মাজেদি লোকবিশ্বাস, সংস্কাৰ, আচাৰ-অনুষ্ঠান, নাট্য, নৃত্য আনকি লোক শিল্পৰো আভাস পোৱা যায়।[৫] মৌখিক সাহিত্যৰ বিভিন্ন উপৰিভাগ সমূহৰ পৰা লোকসমাজৰ সকলো দিশৰে প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। এই সন্দৰ্ভত বিৰিঞ্চি কুমাৰ বৰুৱাৰ মন্তব্য প্ৰণিধানযোগ্য ঃ

'জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈ আঁত নিছিগাকৈ চলি অহা জনশ্ৰুতিয়েই হ'ল লোক -সাহিত্য। ই গদ্য আৰু গীত দুয়োৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত।'[৬]

সমাজবিজ্ঞানী আৰু নৃতাত্বিকসকলে আক্ষৰিক জ্ঞান নথকা এক শ্ৰেণীৰ লোকৰ মাজত মুখ বাগৰি প্ৰচলিত হৈ অহা গীত-যোজনা-পটন্তৰ, দৃষ্টান্ত, সাধু আদিকেই লোকশ্ৰুতি বা লোকতত্ব বুলিছে।[৭] আক্ষৰিক জ্ঞান নথকা এই শ্ৰেণীটোৱেই হৈছে চহা শ্ৰেণী। এই শ্ৰেণীটোৱেই পুৰুষানুক্ৰমে কিছুমান পৰম্পৰা ৰক্ষা কৰি আহিছিল। এই পৰম্পৰাসমূহ চহা শ্ৰেণীটোতে আবদ্ধ নহয়। ইয়াৰ পৰিশীলন আৰু বিকাশ ঘটে ঘাইকৈ শিষ্ট আৰু অভিজাত শ্ৰেণীটো চহা বা শ্ৰমজীৱি শ্ৰেণীটোৰ অভিজ্ঞতাৰ ভেঁটিত সৃষ্ট। লোক-সাহিত্যই সীমাৰ পৰিধি ভেদ কৰি শিষ্ট আৰু অভিজাত শ্ৰেণীলৈকে বিকাশ লাভ কৰি সৰ্বজনপ্ৰিয়তা অৰ্জন কৰি জাতীয় সম্পদ ৰূপে পৰিগণিত হ'ব পাৰে।

এই পৰম্পৰাসমূহ পৰিব্যপ্ত লোকায়ত জীৱনৰ অধ্যয়নেই লোকসংস্কৃতি বা লোকবিদ্যা। আৰ এম ডৰচনে এই লোক সংস্কৃতি বা লোকবিদ্যাক চাৰিটা বহল ভাগত ভাগ কৰিছে।

১। মৌখিক সাহিত্য বা Oral Literature

২। ভৌতিক সংস্কৃতি বা Material Culture

৩। সামাজিক লোক ৰীতি নীতি বা Social Folk Custom

---

৫ Leach, Maria (ed) : The Standard Dictonary of Folklore, Mythology and Legend Vol New York 1949. P. 398

৬ বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া লোক সংস্কৃতি, পৃ. ১

৭ Herskovits, M J : Cultural Anthropology, 1969 P. 267

৪। লোক-পৰিবেশ্য কলাৰীতি বা Performing folk arts.[৮]

ৰাজহুৱা উদ্‌যাপন আৰু আমোদ-প্ৰমোদৰ উৎসৱ অনুষ্ঠানত সমাজৰ অধিকাংশ ব্যক্তিয়ে উপভোগ কৰে অথবা অংশ লয়। সেইবাবেই এই অনুষ্ঠান ইত্যাদিত পৰিবেশিত গীত-মাত ইত্যাদিত লোকসমাজ, শিষ্ট সমাজৰ সকলোৱে একেলগে অংশ গ্ৰহণ কৰা দেখা যায়।

মৌখিক সাহিত্য লোকসংস্কৃতিৰ অন্যতম বুনিয়াদস্বৰূপ প্ৰধান বিভাগ। লোক সংস্কৃতিৰ উপাদান সংগ্ৰহৰ ক্ষেত্ৰত এই বিভাগক সেই বাবেই প্ৰাধান্য দিয়া হয়। গতিকে দেখা যায় লোকবিদ্যাগত সমল অধ্যয়নৰ ক্ষেত্ৰত মৌখিক সাহিত্য এক প্ৰধান আৰু শক্তিশালী উৎস।

মৌখিক সাহিত্যত ৰচয়িতাৰ নাম উল্লেখ নাথাকে আৰু পৰিচয় অজ্ঞাত বাবে উদ্ভৱৰ কাল নিৰ্ণয় কৰাত অসুবিধা কিন্তু একোটা চিত্ৰকল্পৰ দৰে সমসাময়িক সমাজখনৰ প্ৰতিৰূপ অংকন কৰি যায়। ব্যক্তিগত ভাৱ-অনুভূতিৰ লগতে সমষ্টিগত ভাব নৈৰ্ব্যক্তিক ভাবে অংকন কৰা বাবে ইয়াৰ এক সাৰ্বজনীন আবেদন লক্ষ্য কৰা যায়। লোকসাহিত্যৰ উৎপত্তিৰ সময়তে হয়তো লেখকৰ পৰিচয় জ্ঞাত হৈ থাকে কিন্তু সময়ৰ সোঁতত গ্ৰহণ আৰু কিছু বৰ্জনৰ দ্বাৰা সিদ্ধ হৈ ই এক পৰিশোধিত ৰূপ পৰিগ্ৰহণ কৰে য'ত এজন ব্যক্তিৰ পৰিচয় লুপ্ত হৈ সাৰ্বজনীন ৰূপ লাভ কৰে। লোক সমাজত যুগে যুগে এনে কিছুমান ব্যক্তিৰ জন্ম হয় যি প্ৰত্যুৎপন্নমতি গুণসম্পন্ন আৰু তাৎকালিক প্ৰত্যুত্তৰত বুৎপত্তি লাভ কৰি যিয়ে লোকসাহিত্যৰ ভড়াল চহকী কৰি আহিছে।

লোকসাহিত্যৰ সামাজিক প্ৰকাৰ্য-অস্বীকাৰ কৰিব নোৱাৰি। লোকসাহিত্য এক নিৰবছিন্ন প্ৰক্ৰিয়াৰ ধাৰা। এই ধাৰাৰ ধাৰক আৰু বাহক সকলে লিখিত সাহিত্যকো সমলৰ যোগান ধৰে আৰু নিজেও স্বৰূপত বিকশিত হৈ বিভিন্ন সামাজিক প্ৰকাৰ্য সাধন কৰে।

১.২ অসমৰ মৌখিক সাহিত্য বুলিলে অসমৰ ভৌগোলিক পৰিসীমাৰ মাজত বাস কৰা লোকসকলৰ মুখে মুখে প্ৰচলিত তথা যুগৰ প্ৰভাৱে পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন কৰা গীত-মাত, লোক কাহিনী, সাঁথৰ-প্ৰবচন, মন্ত্ৰ আদিকে বুজায়। মৌখিক সাহিত্যক

---

৮ Dorson, R. M. (ed) : Folklore and Folklife, P. 4

কেইবাটাও বিভাগত ভাগ কৰিব পাৰি। প্ৰফুল্ল দত্ত গোস্বামীয়ে তলত দিয়াধৰণৰে ভাগ কৰিছে—

ক) সাধুকথা বা কাহিনী, খ) গীত, গ) দৃষ্টান, ঘ) যোজনা, ঙ) প্ৰবাদ, চ) মন্ত্ৰ [৯]

মহেশ্বৰ নেওগে ভাগ কৰিছে—

ক) গীতি সাহিত্য, খ) সাধু কথা, গ) মন্ত্ৰ, ঘ) প্ৰবচন, ফকৰা-যোজনা আৰু সাঁথৰ ঙ) ডাকৰ বচন [১০]

সত্যেন্দ্ৰনাথ শৰ্মাই ঘাইকৈ তিনিটা ভাগত ভাগ কৰিছে—

১) লোকগীত, ২) ফকৰা-যোজনা আৰু প্ৰৱচন, ৩) সাধুকথা।[১১]

'লোক সংস্কৃতি' গ্ৰন্থত 'নবীন চন্দ্ৰ শৰ্মাই লোকসাহিত্যক তলত দিয়া ধৰণে ভাগ কৰিছে—

১। জাতিগত শ্ৰেণী বিভাজন (Ethnic genre)

২। তাত্বিক শ্ৰেণী বিভাজন (Analytical Categories)

৩। বিষয়বস্তু অনুসৰি শ্ৰেণী বিভাজন (Thematic classification),

৪। অনুষংগ অনুসৰি শ্ৰেণী বিভাজন (Contexual classification),

৫। প্ৰকাৰ্যাত্মক শ্ৰেণী বিভাজন (Functional classification),

৬। আঞ্চলিক শ্ৰেণী-বিভাজন (Regional classification) ইত্যাদি।[১২]

অসমৰ লোক সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ বিভিন্ন জনগোষ্ঠীৰ উপাদান সমূহকো সামৰিব লাগিব। ভিন্ ভিন্ জনগোষ্ঠীৰ উপাদান গ্ৰহণ কৰি আৰু জনগোষ্ঠীয় লোকসাহিত্যৰে সমৃদ্ধ কৰি অসমৰ লোকসাহিত্য সমৃদ্ধ হৈছে।

লোকসাহিত্যৰ উল্লিখিত শ্ৰেণীবিভাজন অনুসৰি গীত, পদ, প্ৰবচন, সাধু আদিৰ আলোচনা কৰাৰ পূৰ্বে 'পাঠ' (Text), 'জমিন' (Texture), আৰু 'প্ৰসংগ' (Context)ৰ বিষয়ে আলোচনা কৰা প্ৰয়োজন। এলান ডাণ্ডেজে পাঠ (Text)ৰ সংজ্ঞা দিবলৈ গৈ কৈছে

৯ গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন-সাহিত্য, ১৯৮৬, পৃ. ৯
১০ নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ১৭
১১ শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২১
১২ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ৩৩

'The text of an item of Folklore is essentcially a version or a single telling of a tale, a recreation of a proverb, a singing of a folk song.'[১৩] অৰ্থাৎ এটা সাধুকথা এবাৰ কোৱাই তাৰ 'পাঠ' (Text) নতুবা এটা প্ৰবচন বা এটা গীত এবাৰ মাত্ৰ আবৃত্তিয়েই সেই প্ৰবচন বা গীতটোৰ 'পাঠ'। জমিন (Texture) হ'ল ভাষাতাত্বিক বৈশিষ্ট্য সাধাৰণতে গীত পদৰ 'জমিন'ৰ পৰিসৰে শব্দ, ছন্দ, শৈলী অলংকাৰ আদি সামৰে।

গতিকে দেখা যায় যে গীত, পদ, সাধু, সাথৰ-প্ৰবচন, মন্ত্ৰ আদিৰ আলোচনাত 'পাঠ', 'জমিন' আৰু 'প্ৰসংগ' এই তিনিওতা স্তৰৰ ভিতৰত প্ৰসংগৰ (Context)ৰ গুৰুত্ব সৰ্বাধিক। সেইবাবেই মায়ঙৰ লোক-সাহিত্যৰাজিৰ আলোচনাতো পাঠ আৰু জমিনতকৈও প্ৰসংগৰ প্ৰতিহে দৃষ্টি ৰাখি আলোচনা আগবঢ়োৱা হৈছে।

### ১.২.১ লোকগীত ঃ

লোক সাহিত্যৰ অন্যতম অংগ লোকগীত। ইংৰাজী Folk literatureৰ প্ৰতিশব্দ হিচাপে অসমীয়াত লোক-সাহিত্য, জন-সাহিত্য বা মৌখিক সাহিত্য শব্দ ব্যৱহাৰ কৰা হয় যদিও Folk song অৰ প্ৰতিশব্দ ৰূপে লোকগীতহে ব্যৱহাৰ কৰা হয়।

লোক সাহিত্যৰ অন্যান্য প্ৰকাৰতকৈ লোকগীতত আবেগ-অনুভূতি, কল্পনাৰ প্ৰাৱল্য, অলংকাৰৰ সৌন্দৰ্য আৰু গীতিসত্তাৰ আধিক্য দেখিবলৈ পোৱা যায়। 'বিভিন্ন সুৰ-লয়ত গাব পৰা গুণটোৱে লোকগীতৰ প্ৰধানতম আকৰ্ষণ আৰু ই আদিম যুগৰে পৰা নিৰক্ষৰ জনগণৰ চিত্ত মোহিত আৰু পুলকিত কৰি আহিছে।'[১৪]

"The Folk song has been well defined as a lyric poem with melody originating anonymously in times past among unlettered folk and remaining in currency for a considerable time, usually centuries." [১৫]

পৃথিৱীৰ প্ৰতিটো জাতিৰ মাজতে লোকগীতৰ পয়োভৰ দেখিবলৈ পোৱা যায়। লোকগীতৰ সৃষ্টি হয় লোকসমাজত। লোকসমাজত কেতিয়াবা কোনো ব্যক্তি অথবা

১৩ Dunds Alan : Essays in Folkloristic P. 27

১৪ শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া লোকগীতি সঞ্চয়ন, ভূমিকা, পৃ. ১০

১৫ Cassell's Encyclopaedia of Literature Vol. 1 P. 225

কোনো সংহত সমাজে ইয়াক সৃষ্টি কৰে। মন্ত্ৰকেই লোকগীতৰ আদিম অৱস্থা বা প্ৰাচীনতম ৰূপ বুলি কোৱা হয়। প্ৰাকৃতিক অনুকূল বা প্ৰতিকূল পৰিবেশৰ মাজত কঠোৰ পৰিশ্ৰম কৰি সুখে দুখে জীৱন কটোৱা লোকসমাজে নিজৰ অভিজ্ঞতা অথবা আনৰ অভিজ্ঞতা অনুভূতি অভিব্যক্ত কৰিবলৈ আশ্ৰয় লয় বাচিক কলাৰ। এই অভিব্যক্তিৰ মাজতে মানুহৰ আশা-আকাংক্ষা, কল্পনা, প্ৰতিকূল পৰিবেশৰ প্ৰতি ভয়-ভীতি আদি লোক-মনৰ ভাব সহজ-সৰল শব্দৰ জৰিয়তে কেতিয়াবা গীত আকাৰে আৰু কেতিয়াবা কাহিনী আকাৰে অথবা প্ৰবাদ-প্ৰবচনৰ মাধ্যমত প্ৰকাশ পায়। 'সকলোজাতিৰে সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে মৌখিক গীত-মাত, প্ৰৱচন, সাধুকথা থকাৰ প্ৰমাণ পোৱা যায়। অসমীয়া ভাষাতো তেনেধৰণৰ লোকগীত, সাধুকথা আৰু প্ৰৱচন হয়তো প্ৰচলিত আছিল। সাহিত্যই লিখিত ৰূপ পোৱাৰ পিছতো আনকি এতিয়াও, নিৰক্ষৰ জন-সমাজত মুখে মুখে গীত পদ ৰচনা কৰি মৌখিক ভাৱেই প্ৰচলন হোৱাৰ ৰীতি চলি আছে।'[১৬] এনে ধৰণৰ পুৰুষানুক্ৰমে মুখে মুখে প্ৰচলিত হৈ অহা লোকগীত সমূহে বিভিন্ন যুগৰ পৰিৱেশৰ প্ৰভাৱত পৰি মোট সলায়, ভাষাই আধুনিক গঢ় লয় আৰু গঠনৰো নতুনত্ব আহে। কিছুমান গীত বুৰঞ্জীৰ ঘটনাৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে সেইগীতসমূহৰ উদ্ভৱ কাল নিৰ্ণয় কৰা কঠিন নহয়। লোক-সাহিত্য লোকসমাজৰ সৃষ্টি। আদিতে হয়তো এজন অথবা দুজনেই এই সাহিত্য সৃষ্টি কৰে। লাহে লাহে আন দহজনলৈ বাগৰি কিছু সংযোজন আৰু কিছু বিয়োগ হৈ এক স্থিৰ ৰূপৰ সৃষ্টি হয়। মানুহৰ মুখে মুখে বাগৰি সময়ে সময়ে নতুন সাজ সলায়। কিন্তু মূল জকাটো একে থাকে। সেইবাবে ইয়াক সংহত সমাজৰ সামগ্ৰিক সৃষ্টি বুলি কোৱা হয়। যি সমাজে স্বকীয় বৈশিষ্ট্যসমূহ অটুট ৰাখিও বাহিৰৰ পৰা অহা সাংস্কৃতিক উপকৰণসমূহ নিজ সমাজৰ উপযোগীকৈ গ্ৰহণ কৰিব পাৰে, সেয়েই সংহত সমাজ। এই সম্পৰ্কে আদিতে ই কোনো একো একোজনৰ বা একোগৰাকীৰ মুখৰ পৰায়ে ওলাইছিল। কিন্তু মুখ বাগৰি প্ৰবাহিত হৈ অহা কাৰণে পোনতে কাৰ মুখৰ পৰা ওলাইছিল সেই কথা নিৰ্ণয় কৰা সম্পূৰ্ণ ৰূপেই অসম্ভৱ হৈ পৰে। তদুপৰি তাকে গ্ৰহণ কৰিছে লোকসমাজে, সমাজে তাত ন ন আবেগ অনুভূতিও

১৬ শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২০

ঢালি দিছে, মানুহৰ মুখে মুখে যুগে যুগে তাৰ ৰূপান্তৰ ঘটিয়ে আছে। ফলত সি সমগ্ৰ সমাজৰ সৃষ্টিত পৰিণত হ'ল। 'All aspects of folklore probably originally the products of individual, are taken by the folk and put through a process of recration, which through constant variation and repetition become a group product.'[১৭]

লোকগীত সমূহত লক্ষ্য কৰা যায় এক সমন্বয়ৰ সুৰ। অসমীয়া লোকগীত সমূহৰ ভিতৰত বিহুগীত, হুচৰি, বনগীত, বিয়ানাম, আইনাম, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, দেহবিচাৰ গীত, কাৰ্বিসকলৰ ৰুকাচেন, আলুন, অৰৈ আলুন, বিথাৰ, বড়োসকলৰ বৈচাগু গীত, মিছিঙৰ ঐনিতম্, দয়িংনিতম্, চাহ-জনজাতিৰ ঝুমুৰ, তুসু পৰবৰ গীত, খেল-ধেমালি, নিচুকনি গীত উল্লেখযোগ্য।

এই লোকগীতসমূহৰ অধিকাংশই সুৰ আৰু বাদ্যযন্ত্ৰৰ সহায়ত গাব পাৰি। গীত বা সংগীত হৈছে ছন্দোময় শব্দৰ সমষ্টি। সুৰ আৰু শব্দচয়নৰ সংমিশ্ৰণে গীতসমূহক কবিতা আৰু সংগীতৰ পৰ্যায়লৈ উন্নীত কৰিছে। কিন্তু লোকগীতসমূহ অন্যান্য গীত বা কবিতাতকৈ পৃথক।[১৮] তথাপিও ক'ব পাৰি যে লোকগীতত ধ্ৰুপদী সংগীততকৈ এক বিশেষ মানৱীয় আবেদন আছে তাৰ কাৰণ ইয়াৰ স্ৰষ্টা কৃষক। লোকগীতৰ পৰাই ৰাগ সংগীতৰ জন্ম। লোকগীতসমূহ অবাধ আৰু মুক্তভাৱে পৰিৱেশন কৰাৰ বিপৰীতে ৰাগসংগীত পৰিশীলিত আৰু পৰিমাৰ্জিত ৰূপত পৰিবেশিত হয় বাবে দুয়োবিধ গীতৰ শৈলীৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়।

### ১.২.২ গদ্যধৰ্মী লোককথা (Folk narratives) ঃ

মৌখিক পৰম্পৰাৰে গদ্যৰূপত প্ৰচলিত কথা বা কাহিনীক গদ্যধৰ্মী লোক কথা বোলা হয়। অতি প্ৰাচীন কালৰপৰা এইবিধ লোককলাৰ উৎকৰ্ষ সাধন হৈ আহিছে। পৃথিৱীৰ প্ৰতিখন দেশৰে সকলোবোৰ জাতিৰ মাজতে গদ্যধৰ্মী লোককথাৰ প্ৰচলন আছে। শিশুৰপৰা বৃদ্ধলৈকে সকলো লোকৰ মাজতে ইয়াৰ জনপ্ৰিয়তা আছে। লোকসমাজত

১৭ Mac Edward Leach : Standard add Dictionary of Folklore; Mythology and Legend New York 1949. P. 401

১৮ Reaver J Russell, Boswell Garge W (ed) : Fundumentalas of Folk Literature-Text fit in folk song, P-188

কাহিনী কৈ ভালপোৱা আৰু শুনি ভাল পোৱা দুয়োশ্ৰেণীৰ মানুহ আছে। প্ৰাচীন কালত চিকাৰ আদি কৰি সেই কাহিনী লোকসমাজত বৰ্ণনা কৰি আনন্দত মতলীয়া হোৱা প্ৰথাৰ পৰাই হয়তো ই বিকাশ লাভ কৰি আজিৰ স্তৰ লাভ কৰিছে। সময়ৰ লগে লগে বিকশিত হৈ নতুন ৰূপ লাভ কৰিছে।

গদ্যধৰ্মী লোককথাক ইয়াৰ বিষয়বস্তু; সংযুতি আৰু প্ৰসংগ অথবা অনুষংগৰ ফালৰ পৰা প্ৰধানভাৱে তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি।[১৯]

১। পুৰাণ কথা বা পুৰাকথা বা পুৰাবৃত্ত বা গোঁসাই কথা, আখ্যান (Myth)

২। জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী, উপাখ্যান, (Legend)

৩। সাধুকথা, সাধু, সাজোকথা, উপকথা, কিচ্ছা, কাহিনী (Tale)।

**পুৰাণ কথা বা পুৰাকথা বা পুৰাবৃত্ত বা গোঁসাই কথা, আখ্যান (Myth)ঃ**

প্ৰাচীনকালত উৎপত্তি হোৱা আৰু সত্য বুলি লোকসমাজে গ্ৰহণ কৰা কাহিনীৰ নাম মিথ। 'কোনো জনগোষ্ঠীৰ সৃষ্টিতত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ বিশ্বাসত স্থান পোৱা দেৱ-দেৱী আৰু বীৰপুৰুষৰ কাৰ্যাৱলীত তথা সেই জনগোষ্ঠীৰ সাংস্কৃতিক লক্ষণ, ধৰ্মীয় বিশ্বাস আদিয়েই মিথৰ প্ৰধান উপজীব্য।'[২০] পুৰাণ কথাবোৰ প্ৰচলিত লোক সামাজৰ জনসাধাৰণে অতি প্ৰাচীন কালত সেই ঘটনাবোৰৰ উৎপত্তি বুলি মানি লয় আৰু পৰম্পৰাগতভাৱে প্ৰচলিত সেই কাহিনীবোৰৰ প্ৰতি এক শ্ৰদ্ধাৰ মনোভাৱ পোষণ কৰে।' 'A myth ... a tale laid in a world supposed to have preceded the present order. It tells of sacred beings and of semi-divine heros and of all origins of all things, usually thought the agency of these sacred beings.'[২১] গ্ৰীক মিথ'লজীসমূহ গ্ৰীক সাহিত্য মহাকাব্য ইলিয়াদ, ওডিচি বা আন নাটকৰ পৰা বিষয়বস্তু গ্ৰহণ কৰা অতিকথাসমূহ গদ্য পদ্য উভয়তে পোৱা যায়। অসমীয়া সাহিত্যৰ 'লিংগ আৰু যোনি-পূজাৰ জন্মকথা',

---

১৯ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ১৬৫

২০ Woegelin E. W : 'Myth' in Standard Dictonary of Folklore, ed. M. Leach, P. 778

২১ Reaver J. Russell, Boswell George, op-cit, P. 89

বড়ো সমাজত প্ৰচলিত মদৰ জন্মকথা, শস্যৰ জন্ম, মানুহৰ জন্মকথা, ধানৰ জন্ম কথা আদি উল্লেখযোগ্য।

**জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী ঃ**

জনশ্ৰুতিসমূহত সাধু বা সন্ত বা ছহিদৰ জীৱনবৃত্তৰ বৰ্ণনা থাকে। কোনো সত্য ঘটনাৰ আধাৰত বিভিন্ন সমল সংযোজন কৰি জনশ্ৰুতিসমূহ পৰম্পৰাগতভাৱে চলি থাকে। অসমত অতি প্ৰাচীন জনশ্ৰুতিমূলক নৰকাসুৰৰ কাহিনীভাগৰ সৈতে জড়িত কামাখ্যা মন্দিৰৰ শিলৰ খটখটী ইত্যাদি বাস্তৱ। পুৰাণ-কথা সমূহতকৈ জনশ্ৰুতিগত কথা কিছু পৰিমাণে আধুনিক। ইতিহাস, স্থানীয় বুৰঞ্জী, পৰম্পৰাগত কাহিনী, ভূত-প্ৰেত, পৰী, সাধু-সন্ত আদিৰ আধাৰতো জনশ্ৰুতিগত কাহিনী প্ৰচলিত হ'ব পাৰে। গ্ৰীম ভাতৃদ্বয়ে তিনিপ্ৰকাৰৰ জনশ্ৰুতিগত কথাৰ উল্লেখ কৰিছে ঃ স্থানীয়, নৈদানিক আৰু ঐতিহাসিক।

খ্ৰীঃ ১৯৬৩ চনত অনুষ্ঠিত আন্তৰ্জাতিক ফোকলৰ সমিতিত জনশ্ৰুতিগত কাহিনীৰ ভাগ সাধাৰণভাৱে চাৰিটা বুলি দেখুওৱা হৈছে।

(ক) নৈদানিক আৰু মৃত্যু-সম্পৰ্কীয় নৈদানিক জনশ্ৰুতিগত কথা,

(খ) ঐতিহাসিক জনশ্ৰুতি

(গ) অতিলৌকিক প্ৰাণী বা শক্তি পুৰাণগত জনশ্ৰুতি

(ঘ) ধৰ্মীয় জনশ্ৰুতি বা বীৰপুৰুষ সম্পৰ্কীয় জনশ্ৰুতি

**সাধুকথা ঃ মৌখিক লোক কাহিনীৰ অন্যতম 'সাধুকথা'।**

সাধুকথা কোৱা আৰু শুনা এক আমোদজনক পৰম্পৰা। সাধুকথাৰ মাজেদি এখন দেশৰ কোনো এটা জাতিৰ সামাজিক, পাৰিবাৰিক জীৱন, লোক বিশ্বাস, জীৱন দৃষ্টি প্ৰভৃতি ফুটি ওলায়। প্ৰাচীন ভাৰতৰ 'কথা সৰিৎসাগৰ', 'পঞ্চতন্ত্ৰ', 'হিতোপদেশ' আদি হৈছে বিভিন্ন সাধুকথাৰ সম্ভাৰ। বিষ্ণু শৰ্মাৰ পঞ্চতন্ত্ৰত ভাৰতীয় মানুহৰ চিন্তা-ভাৱনা, বিশ্বাস-পৰম্পৰা আদি সাধুকথাৰ ছলেৰে দাঙি ধৰা হৈছে।

সাধুকথাবোৰ ঘাইকৈ শিশুসকলৰ বাবে কথিত যদিও সকলো পৰ্যায়ৰ লোকৰ মাজতে সাধুকথাৰ জনপ্ৰিয়তা লক্ষ্য কৰা যায়। সাধুকথাৰ বিষয় বিভিন্ন প্ৰকাৰৰ হ'ব

পাৰে। বিষয়বস্তু অনুসৰি সাধুকথাবোৰক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—[২২]

১। জন্তুকেন্দ্ৰিক সাধুকথা (Animale tale)

২। যাদুমূলক বা অতিলৌকিক সাধুকথা (Magical or super natural tale)

৩। নৈদানিক সাধুকথা বা ব্যাখ্যামূলক সাধুকথা (Etiological or Ex planatory tale);

৪। টেটকুঁটি (Jokes or Humorous tale)

৫। ক্ষুদ্ৰ সত্য কাহিনী (Ancedote)

৬। মূৰ্খৰ সাধু (Numskull tales)

৭। টেটোন বা টেন্টনৰ সাধু (Trickster tale)

৮। ক্ৰমপুঞ্জিত বা নিৰ্দ্ধাৰিতগঢ়ী সাধুকথা (cumulative or chain or formula)

৯। মিছলীয়া সাধুকথা (The tales of Lying)

১০। অন্তহীন সাধুকথা (Endless tale)

১১। সমস্যামূলক সাধুকথা (Dilemma tale)

১২। কথাগীত (Cante fable)

১৩। ধৰ্মমূলক সাধুকথা (Religious tale)

১৪। নিষিদ্ধ সাধুকথা (Tabu tale)

১৫। অজাচাৰী সাধুকথা (Incestaous tale)

সাধুকথাৰ বিষয়বস্তুলৈ লক্ষ্য কৰি প্ৰফুল্ল দত্ত গোস্বামীয়ে পূজাপাতল সম্পৰ্কীয়, পুৰাণ সাধু, আমোদী সাধু, কিংবদন্তীমূলক সাধু আদি শ্ৰেণীত ভাগ কৰিছে।[২৩]

কথা কোৱাৰ বৈশিষ্ট্যৰ ওপৰত সাধুকথাৰ কৌশল নিহীত হৈ আছে। একোটা কাহিনী এজনৰ মুখত শুনি যিমান আমোদ পাব পাৰি আন এজনৰ মুখত ইমান আমোদজনক নহ'বও পাৰে। সাধুকথাৰ কথনভংগী, সুৰ-সংযোজন, কৌশল ইত্যাদিৰ ওপৰত ইয়াৰ

---

২২ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ১৭৪

২৩ গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন সাহিত্য, পৃ. ১০৫-১০৬

মনোৰঞ্জনধৰ্মীতা নিৰ্ভৰ কৰে। মায়ং অঞ্চলত প্ৰাপ্ত আন আন সাধুকথাৰ সৈতে মনস্তত্ত্বমূলক এটি সাধুকথা পোৱা গৈছে। এই সাধুটো কিছু পৰিমানে অৰ্ব্বাচীন। সাধুটো হয়তো কোনো গ্ৰন্থৰ পৰা উদ্ধৃত কিন্তু বৰ্ত্তমান ই পৰম্পৰাগতভাৱে সাধু ৰূপে প্ৰচলিত হৈ আছে।

অসমীয়া ভাষা আৰু অসমৰ জনজাতীয় লোক সকলৰ ভাষাত ৰচিত বহুসংখ্যক সাধুকথা পোৱা যায়। অসমীয়া ভাষাত পোন প্ৰথমে লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথা সংগ্ৰহ কৰি 'বুঢ়ী আইৰ সাধু' নামৰে প্ৰকাশ কৰে। অসমীয়া সাধুসমূহৰ আৰম্ভণি সাধাৰণতে 'এসময়ত এখন দেশত...', 'এবাৰ এজন মানুহে' ইত্যাদি ধৰণৰ বাক্যৰে কৰি সামৰণিত 'আমাৰ কাপোৰ-কানি ক'লা হ'ল আমি ঘৰলৈ ঘূৰি আহিলো' আদি বাক্যৰে বাস্তৱলৈ ঘূৰাই অনা হয়। সাধুৰ আৰম্ভণিতে কাল্পনিক ৰাজ্য এখনলৈ নি সামৰণিত বাস্তৱলৈ অনা হয় এনে ধৰণৰ বাক্যৰ সহায়ত।

মায়ং অঞ্চলৰ সাধুকথাৰ কথনভংগীত মায়ঙীয়া ভাষাত বিদ্যমান। অঞ্চলটোত বিভিন্ন পুৰাকথা, জনশ্ৰুতি আৰু সাধুকথাৰ পয়োভৰ লক্ষ্য কৰা যায়।

**১.২.৩ প্ৰবাদ-প্ৰবচন ঃ**

প্ৰবাদ-প্ৰবচনৰ-ফকৰা-যোজনাসমূহ লোকসমাজৰ জীৱনৰ অভিজ্ঞতাৰ বাণী। প্ৰবচন বা যোজনা অথবা পটন্তৰ বা প্ৰবাদ আদি অভিধা সাধাৰণতে ইংৰাজ 'Proverb' শব্দৰ প্ৰতিশব্দৰূপে ব্যৱহাৰ কৰা হয়। লোকজনৰ সঞ্চিত অভিজ্ঞতাৰ উক্তিয়েই প্ৰবাদ বা যোজনা। 'বাচিক কলাৰ অন্যতম উপশ্ৰেণী প্ৰবচন আৰু সাঁথৰক স্থিৰীকৃত বাক্ বৈশিষ্ট্য অৰ্থাৎ Fixed-phrase genres আখ্যা দিব পাৰি; যিহেতু প্ৰবচন আৰু সাঁথৰৰ জমিন (Textur) এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰা টানেই নহয় অসম্ভৱো।'[২৪] জমিনে লোকবিদ্যা সম্পৰ্কীয় পাঠৰ ভাষাতাত্বিক বৈশিষ্ট্যক সূচায়। প্ৰবচন আৰু সাঁথৰৰ জমিন হৈছে ইহঁতৰ লয় আৰু অনুপ্ৰাসৰ ক্ষিপ্ৰতা; প্ৰবচন আৰু সাঁথৰসমূহৰ জমিনৰ ওপৰত ইয়াৰ নান্দনিকতা নিৰ্ভৰশীল। সেইবাবেই এটা ভাষাৰ পৰা আন এটা ভাষালৈ

---

২৪ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ১৯২

অনুবাদ কৰিলে তাৰ মাধুৰ্য হেৰাই যায়। কিন্তু এটা কথা ঠিক যে বিভিন্ন ভাষাৰ প্ৰবাদ-প্ৰবচনসমূহৰ ভাব কেতিয়াবা একে হোৱা দেখা যায়। মানৱ জীৱনৰ অভিজ্ঞতাৰ ৰূপ একে বাবেই হয়তো তেনে হোৱা দেখা যায়।

অভিধানিক অৰ্থ অনুসৰি যোজনা, দৃষ্টান্ত, ফকৰা, পটন্তৰ আদি সমাৰ্থক।[২৫] "ফকৰা-যোজনাবোৰত আৰু প্ৰবচনবোৰত সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্ৰচলিত জীৱন-চৰ্যা আৰু আশীৰ্বাদ, জাতিৰ মনস্তত্ত্ব, আচাৰ-ব্যৱহাৰ আৰু বহুক্ষেত্ৰত সমালোচনাও পোৱা যায়।[২৬] সেইদৰে 'সিবোৰ লোক-প্ৰজ্ঞাৰ (folk-lore) সূক্ষ্ম সমষ্টি আন আন লোক সাহিত্যৰ দৰেই প্ৰৱাদ বাক্যও প্ৰজ্ঞাৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশ, জীৱনৰ টিপ্পনী।[২৭]

ফকৰা-যোজনাই সামৰি নোলোৱা বিষয় নাই। 'সমগ্ৰ মানৱজীৱন আৰু সমগ্ৰ মানৱ-সমাজৰ বিষয়ে শিকিবলগীয়া বা জানিবলগীয়া অগাধ জ্ঞানৰ ভাণ্ডাৰ এই যোজনা-ফকৰাসমূহ।[২৮]

লোকসমাজে ফকৰা-যোজনাৰে কোৱা আদেশ, উপদেশ, নিৰ্দেশ আদি অতি সহজে মানি লোৱাৰ প্ৰৱণতা দেখা যায়। সেইদৰে ফকৰ-যোজনা কোৱা মানুহৰ সংখ্যাও বহুত। যোজনা বা প্ৰবচন জনা বা কোৱা লোকৰ সমাজত আদৰ আছে।

প্ৰবচন বা সাঁথৰৰ প্ৰকৃত অৰ্থ বুজিবৰ বাবে ইহঁতৰ সামাজিক প্ৰসংগৰ বিষয়ে জ্ঞান থকা অতিকে প্ৰয়োজনীয়। প্ৰবচন আৰু সাঁথৰ প্ৰত্যেকৰে একোটাকৈ পাঠ (Text) আছে। লোকসমাজত এনে বুৎপত্তি সম্পন্ন একোজন ব্যক্তি আছে যাৰ এই পাঠসমূহৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰসংগসমূহৰ বিষয়ে বিষদ জ্ঞান আছে। 'প্ৰবচন আৰু সাঁথৰৰ অৰ্থ ব্যাখ্যাৰ বাবে প্ৰসংগ বা অনুষংগ অপৰিহাৰ্য, যিহেতু প্ৰসংগবিহীন প্ৰবচন আৰু সাঁথৰ স্বৰূপাৰ্থত স্পন্দনহীন দেহতুল্য।'[২৯]

---

২৫ হেমকোষ, ২য় সংস্কৰণ

২৬ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৮১, পৃ. ২২

২৭ নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৮৬ পৃ. ৩৪

২৮ শৰ্মা, শশী ঃ অসমৰ লোক সাহিত্য পৃ. ২৭১

২৯ The Text of course, is extremely important, but without the context it remains lifeless. Malinowski. B; Magic, Science and Religion P. 104

অসমীয়া সাহিত্যত অতি প্ৰাচীন কালৰ পৰাই যোজনা-পটন্তৰৰ প্ৰয়োগ পোৱা যায়। শংকৰদেৱে তেওঁৰ পূৰ্বৰ কবি মাধৱ কন্দলিক শ্ৰদ্ধা জনাইছিল ফকৰাৰেই

পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলি আদি
তেহো বিৰচিলা ৰামকথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

যোজনাক ৰিজনি বা পটন্তৰো বোলা হয়। কাৰোবাৰ লগত ৰিজায় বাবে পটন্তৰ। লোকোক্তি হৈছে কোনো অঞ্চলৰ বিষয়ে বা কোনো ব্যক্তিৰ বিষয়ে থকা উক্তি।[৩০] লোকোক্তিৰ জৰিয়তে কোনো স্থান বা ব্যক্তিৰ বিষয়ে সম্যক জ্ঞান বা ঠাইখনৰ বৈশিষ্ট্যৰ জ্ঞান লাভ কৰিব পৰা যায়।

ফকৰা বা প্ৰবচনসমূহক চাৰিটা শ্ৰেণীত ভাগ কৰা হৈছে—

১। ধনাত্মক তুল্যতা (Positive equivalence)

২। ঋণাত্মক তুল্যতা (Negative equivalence)

৩। ধনাত্মক নিমিত্ততা (Positive causational)

৪। ঋণাত্মক নিমিত্ততা (Negitive causational) [৩১]

বিষয়বস্তু অনুসৰি যোজনাসমূহক এনেধৰণেৰে ভাগ কৰিব পাৰি—

১। সামাজিক চিত্ৰ ৰূপায়ণ সম্বন্ধীয়

২। নীতিবচনমূলক, কৰণীয় অকৰণীয় ইত্যাদি

৩। স্বভাৱ আৰু মনৰ বিকাশ সম্বন্ধীয়

৪। মানুহৰ দৈনন্দিক জীৱনৰ শুভাশুভ নিৰ্ণায়ক আৰু যাত্ৰা

৫। পৌৰাণিক কাহিনী যুক্ত প্ৰবচন

৬। ৰাজনীতিৰ সৈতে জড়িত প্ৰবচন

৭। দাৰ্শনিক ভাৱাপন্ন প্ৰবচন

---

৩০ কলিতা, যোগেন ঃ প্ৰাক্তন অধ্যাপক, অসমীয়া বিভাগ, ডিমৰীয়া মহাবিদ্যালয় (৬৫)
৩১ শৰ্মা, নবীন চন্দ্ৰ ঃ লোকসংস্কৃতি পৃ. ১৯৬

৮। হাস্য-ব্যঙ্গাত্মক প্ৰবচন

৯। বুৰঞ্জীমূলক প্ৰবচন

১০। প্ৰকৃতি বিষয়ক প্ৰবচন

১১। গ্ৰাম্য-দোষদুষ্ট যোজনা

ফকৰাসমূহ গভীৰ আৰু পৰমাৰ্থিক অৰ্থবোধক নিৰ্দিষ্ট অৰ্থ কৰে। প্ৰাচীন কালত ধৰ্মৰ গূঢ় ৰহস্যসমূহ, কৰণীয় বিধিসমূহ গুৰুৱে শিষ্যলৈ প্ৰেৰণ কৰিছিল ফকৰাৰ মাধ্যমেৰে। সেইবাবেই ফকৰাৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিবলৈ ধৰ্মীয় তত্ত্ব বা প্ৰাসঙ্গিক টোকা জনা আৱশ্যক।

ডাকৰ বচনসমূহো একপ্ৰকাৰ যোজনাই। লোকসমাজ ঘাইকৈ কৃষি নিৰ্ভৰশীল। কৃষি কৰ্মৰ বিষয়ে বিশদ জ্ঞান বা অভিজ্ঞতালব্ধ কথাসমূহ ডাকৰ বচনৰ মাধ্যমেৰে প্ৰকাশ পায়। মায়ং অঞ্চলৰ কৃষিজীৱী সমাজ খনে বৰ্ত্তমানো এনে বহু ডাকৰ বচন বিধি-নিষেধ আদি মানি চলা দেখা যায়।

### ১.২.৪ সাঁথৰ ঃ

সাঁথৰসমূহ মানৱ জীৱনৰ জ্ঞান বুদ্ধিমত্তা বা প্ৰতিভাৰ অন্যতম প্ৰাচীন ৰূপ। সাঁথৰ অভিধাৰ প্ৰতিশব্দ স্বৰূপে দৃষ্টান্ত, দিষ্টান আদি শব্দ ব্যৱহাৰ কৰা হয়।

সাঁথৰৰ মাজত নিহিত থকা গুপ্ত ৰহস্য ভেদ কৰিব পৰাটোতে সাঁথৰ ভঙাৰ আনন্দ নিহিত হৈ থাকে। 'সাঁথৰৰ অৰ্থ বা তাৎপৰ্য উপলব্ধিৰ কাৰণে আৱশ্যক তাত্বিক জ্ঞান আৰু ব্যাপক চিন্তন আৰু মননৰ।[৩২]

সাঁথৰসমূহৰ তলত দিয়া ধৰণৰে ভাগ কৰিব পাৰি।

১। বৰ্ণনাত্মক সাঁথৰ (Descriptive riddle)

২। টেটকুটিমূলক সাঁথৰ (Joking questions)

৩। জ্ঞানমূলক সাঁথৰ (Wisdom question)

৪। সমস্যামূলক সাঁথৰ (Puzzles)

৫। ছল সাঁথৰ (Catch riddle)

---

৩২ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য পৃ. ২৭২

৬। সাধুকথাৰ সৈতে জৰিত সাঁথৰ।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে 'সাঁথৰ মূলতে ৰূপক, ৰূপক হ'ল সম্বন্ধ তুলনা আৰু সাদৃশ্য-বৈসাদৃশ্যৰ ধাৰণা সম্বন্ধে যি প্ৰাথমিক মানসিক প্ৰতিক্ৰিয়া তাৰেই ফল।[৩৩]

অসমীয়া ভাষাত বিভিন্ন ধৰণৰ সাঁথৰ পোৱা যায়। ঘাইকৈ শিশুসকলক কেন্দ্ৰ কৰি ইয়াৰ চৰ্চা আৰু বিকাশ লাভ কৰা দেখা যায়। মায়ং অঞ্চলতো বিভিন্ন ধৰণৰ সাঁথৰ শিশু-বয়সস্থসকলৰ মুখত প্ৰচলিত হৈ আছে।

**১.২.৫ মন্ত্ৰ ঃ**

লোকাচাৰসমূহৰ ভিতৰত অন্যতম মন্ত্ৰ। আদিম লোকসমাজে প্ৰাকৃতিক চিকিৎসা কৰিবলৈ মন্ত্ৰৰ প্ৰয়োগ কৰিছিল। লোকজীৱনৰ সৰলবিশ্বাস মন্ত্ৰৰ জৰিয়তেই প্ৰাকৃতিক দুৰ্যোগ, বেমাৰ-আজাৰ বন্য জন্তুৰ আক্ৰমণ, জীৱ-জন্তুৰ অসুখ আৰু সকলো ধৰণৰ অশুভ শক্তিক নাশ কৰিব পাৰি। মন্ত্ৰত বাঙ্ময় হৈ আছে এটা জাতিৰ আবেগ, অনুভূতি, কল্পনা আৰু অভিজ্ঞতা। অতি প্ৰাচীন কালৰ পৰাই মন্ত্ৰৰ প্ৰচলন হৈ আজি পৰ্যন্ত কম-বেছি পৰিমাণে ব্যৱহৃত হৈ আহিছে।

বৈদিক যুগত মন্ত্ৰৰ বহুল প্ৰচলন আছিল। অথৰ্ববেদত থকা মন্ত্ৰসমূহেই ইয়াৰ প্ৰমাণ দিয়ে। অনুমান কৰিব পাৰি যে, বৈদিক যুগৰো আগৰ পৰাই প্ৰচলিত মন্ত্ৰৰ ধাৰাই মৌখিকভাবে চলি আহি বৈদিক যুগত লিপিবদ্ধ হৈছিল। 'ভাৰতবৰ্ষত সেই প্ৰাক ঐতিহাসিক যুগতেই মানুহৰ আৰোগ্য-সাধনৰ বাবে এফালে বিভিন্ন প্ৰাকৃতিক ঔষধৰ ব্যৱহাৰ আৰু আনফালে বিভিন্ন অলৌকিক বিশ্বাস, পূজা-পাতল আদিৰ বিধান এই দুয়োটা পদ্ধতিয়েই গঢ় লৈ উঠিছিল আধুনিক ভাৰতবৰ্ষত, যাৰ প্ৰভাৱ আজিও বিদ্যমান।[৩৪]

মন্ত্ৰসমূহ গদ্য-পদ্য উভয়তে ৰচিত হৈছে। মন্ত্ৰসমূহ যদিও সৰহভাগ পথত ৰচিত তথাপিও ইয়াত ছন্দমিল, অন্ত্যমিল ইত্যাদি দেখা নাযায়। গদ্যত ৰচিত মন্ত্ৰসমূহো লয়যুক্ত গদ্যৰ।

---

৩৩ কলিতা, যোগেন ঃ অসমৰ লোকসাহিত্য, ভাষাসাহিত্য সংস্কৃতি বিচিত্ৰা, সম্পা. বিজয়া বৰুৱা ৰাজখোৱা, পৃ. ২২৮
৩৪ গোস্বামী, মিহিৰজ্যোতি (সম্পা.) নিদানম, পৃষ্ঠা ৮৪

অতি প্ৰাচীনকালৰপৰাই সময়ে সময়ে মন্ত্ৰৰ প্ৰয়োগ আৰু প্ৰচলনৰ বিষয়ে বিভিন্ন টোকা, প্ৰত্নলিপি, গ্ৰন্থ, তুলাপাত আদি সমলে কামৰূপত মন্ত্ৰ-চৰ্চাৰ বিষয়ে সম্ভেদ দিয়ে। খৃষ্টীয় অষ্টম-নৱম শতিকাৰ বিখ্যাত দাৰ্শনিক শংকৰাচাৰ্যৰ জীৱন কাহিনীৰ সৈতে কামৰূপৰ তন্ত্ৰ-মন্ত্ৰৰ কথা জড়িত হৈ আছে। যোগিনীতন্ত্ৰত উল্লেখ থকা মতে খৃষ্টীয় নৱম শতিকামানৰ পৰাই কামৰূপ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ কেন্দ্ৰস্থান হৈ পৰিছিল। শিখ ধৰ্মগ্ৰন্থ, পাদশ্যাহ বুৰঞ্জী আদিতো মন্ত্ৰৰ প্ৰয়োগৰ উল্লেখ আছে।

মায়ং অঞ্চলৰ প্ৰত্নতাত্ত্বিক বা পুৰাতাত্ত্বিক সমলসমূহ খৃষ্টীয় অষ্টম-নৱম শতিকাৰ পৰা একাদশ-দ্বাদশ শতিকাৰ বুলি ঠাৱৰ কৰা হৈছে। এই সমলসমূহৰ ভিতৰত শিৱ-পাৰ্ব্বতী, শিৱলিংগ, যোনিপীঠ, সূৰ্যচক্ৰ, পদ্মচক্ৰ আদিৰ সংখ্যাই সৰহ। এই মন্ত্ৰসমূহক উপলক্ষ্য কৰিয়েই তান্ত্ৰিকসকলে মন্ত্ৰৰ নিৰন্তৰ সাধনা কৰিছিল।[৩৫]

**মন্ত্ৰৰ শ্ৰেণীবিভাগ ঃ**

মন্ত্ৰসমূহক নবীন চন্দ্ৰ শৰ্মাই প্ৰধানভাৱে তিনিটা ভাগত ভাগ কৰিছে—

১। প্ৰাৰ্থনা মন্ত্ৰ,

২। ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ,

৩। যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্ৰ।[৩৬]

এই মন্ত্ৰসমূহৰ কিছুমান উপবিভাগ আছে—

**১। প্ৰাৰ্থনা মন্ত্ৰ ঃ** প্ৰাৰ্থনা মন্ত্ৰসমূহক দুটা ভাগত ভাগ কৰিব পাৰি ক) সংস্কৃত খ) লৌকিক

**২। ধৰ্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্ৰ ঃ** এই মন্ত্ৰসমূহক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— ক) ধৰ্মৰ সৈতে জড়িত, খ) গাৰ্হস্থ্য জীৱনৰ সৈতে জড়িত।

**৩। যাদুৰ লগত জড়িত মন্ত্ৰ ঃ** এই মন্ত্ৰক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— ১) সুমন্ত্ৰ ২) কুমন্ত্ৰ।

---

৩৫ সংবাদদাতা, হাজৰিকা, লোকেন্দ্ৰ, লোণমাটি (৫৫)

৩৬ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ১৫৬

যাদুৰ লগত জড়িত মন্ত্ৰক বিষয়বস্তু অনুসৰি বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি— যুদ্ধ বিষয়ক, কৃষি, জীৱজন্তু, দেওভূত, ধৰণী, ৰোগ-ব্যাধি, জৰা-ফুকা, দৈনন্দিন, বশীকৰণ, বিবিধ বিষয়ক।

মায়ঙত প্ৰচলিত মন্ত্ৰসমূহক এনেদৰে বিভাজন কৰি আলোচনা কৰা হৈছে।

**১.২.৬ লোকভাষা ঃ**

একোটা নিৰ্দিষ্ট অঞ্চলৰ নিৰ্দিষ্ট মানুহৰ মাজত গঢ় লৈ উঠা ভাষাই লোকভাষা। গছ-গছনিসমূহৰ নিৰ্দিষ্ট নাম থকা সত্বেও ঠাইভেদে ই ভিন্ন নামেৰে পৰিচিতি লাভ কৰে।

অভিজাত সমাজত নিষিদ্ধ ৰূপে প্ৰচলিত শব্দসমূহো লোকভাষাত অনায়াসে প্ৰয়োগ কৰি থকা হয়। সেইদৰে মানুহৰ নাম, গালি-শপনি, শাও-পাত আদি লোকভাষাৰ অন্তৰ্গত।

শদিয়াৰ পৰা ধুবুৰীলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাৰ মান্য ভাষাতকৈ কথিত ৰূপটোৰ বিভিন্ন ঠাইত ভিন ভিন কৈ কোৱা হয়।

মায়ং অঞ্চলৰ কথিত ভাষাটোত উচ্চাৰণ পদ্ধতি নামনি আৰু উজনিতকৈ বেলেগ। জনজাতীয় ভাষাৰ প্ৰভাৱ পুষ্ট লোকভাষাটোত উজনি আৰু নামনিৰ উপভাষাৰ প্ৰভাৱ পৰিছে।

এই সম্পৰ্কত ভাষা-বিজ্ঞানী লিওনাৰ্ড ব্লুমফিল্ডে কয়— "The local dialects are of paramount importance to the linguist, not merely because their great variety gives him work to do, but because the origin and history of the standard and sub-standard types of speech can be understood only in the light of the local dilects."[৩৭]

উপভাষাত এনে কিছুমান ভাষাটোৰ প্ৰাচীন বৈশিষ্ট্য সংৰক্ষিত হৈ থাকে যিবোৰ মান্যভাষাত দেখিবলৈ পোৱা নাযায়। ব্লুমফিল্ডৰ মন্তব্য এনেধৰণৰ— '... that local dialects preserved one or another ancient feature which no longer existed in the

৩৭ Bloofield, Leonard : Language 1985 P. 50-51

standard language[৩৮]

সাধাৰণতে নাৰী আৰু বৃদ্ধলোকৰ মুখত ভাষাৰ স্থানীয় ৰূপ ঘাইকৈ ৰক্ষিত হয় বুলি কোৱা হয়। গ্ৰাম্যাঞ্চলৰ নাৰীৰ এটা নিৰ্দিষ্ট পৰিসীমাৰ মাজত আবদ্ধ হৈ থকা বাবে ভাষা এটাই সংমিশ্ৰণৰ গৰাহৰ পৰা মুক্ত হৈ থাকে।

লোকভাষা মানুহে জন্মগতভাৱে আয়ত্ত কৰে। এটি শিশুৱে স্থানীয় পৰিবেশত ভাষাটো আয়ত্ত কৰে। কোনো ধৰণৰ আনুষ্ঠানিক পদ্ধতিৰে এই ভাষা শিকা নাযায়।

মায়ং অঞ্চলৰ লোকভাষাত মান্য অসমীয়া নথকা বিভিন্ন শব্দাৱলীৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

**১.৩ লিখিত সাহিত্য আৰু মৌখিক সাহিত্য ঃ**

লিখিত সাহিত্যই মৌখিক পৰিসীমাত থকা বিষয় বিলাক অধ্যয়নৰ সুবিধা কৰি দিয়ে। মৌখিক সাহিত্যৰ সৈতে লিখিত সাহিত্যৰ ওতঃপ্ৰোত সম্বন্ধ আছে। মৌখিক সাহিত্যৰ উপাদানসমূহ হেৰাই যোৱাৰপৰা সংৰক্ষণ কৰে লোকসাহিত্যই। লিখিত সাহিত্যত মৌখিক সাহিত্যৰ বস্তু লিপিবদ্ধ হোৱাটো শুভলক্ষণ যদিও হুবহু ৰূপত ই লিপিবদ্ধ নহবও পাৰে। ইয়াৰ ফলত মৌখিক সাহিত্যৰ সৌন্দৰ্য হানি হোৱাৰ সম্ভাৱনা থাকে। সেয়ে হ'লেও মৌখিক সাহিত্য লিখিত সাহিত্যত প্ৰবেশ কৰিবই কাৰণ—

ক) লিখিত সাহিত্যৰ লগত সংস্কৃতিৰ অবিচ্ছিন্ন সম্পৰ্ক।

খ) লিখিত সাহিত্যত লোক সংস্কৃতিৰ সমল বিদ্যমান।

গ) লেখকে লোক-সংস্কৃতি অৱগত কৰায়।[৩৯]

পৃথিৱীৰ বিভিন্ন দেশলৈ লোকসাহিত্যৰ সম্ভাৰ পৰিব্যাপ্ত হয় লিখিত সাহিত্যৰ জৰিয়তে। এটা জাতিৰ সংস্কৃতি, লোকসংস্কৃতিৰ উমান পাব পাৰি লিখিত সাহিত্যৰ জৰিয়তে। সেইদৰে আনদেশৰো সংস্কৃতি লোক-সংস্কৃতিৰ উমান পাব পাৰি লিখিত সাহিত্যৰ মাধ্যমেৰে। মৌখিক লোকবিদ্যাক লিখিত ৰূপ দি লেখকে এখন ঠাইৰ লোক-

---

৩৮ Ibid : P. 32

৩৯ Taylar, Arches : Folklore and Student of Literature in the specific spectator Vol II P. 219

সংস্কৃতি সকলো পৰ্যায়ৰ লোকৰ ওচৰত অৱগত কৰায়।

মৌখিক সাহিত্যক স্পষ্টৰূপত তুলি ধৰিবলৈ গাঁথনিক (structure) দিশৰ অধ্যয়ন অপৰিহাৰ্য। মৌখিক সাহিত্যৰ গাঁথনিক দিশ কেইটা হ'ল—

ক) শব্দচয়ন ঃ মৌখিক সাহিত্যত প্ৰয়োগ হোৱা শব্দ সম্ভাৰ লিখিত সাহিত্যত নাথাকিবও পাৰে। অৰ্থাৎ লিখিবলৈ সেই শব্দ ব্যৱহাৰ নকৰিবও পাৰে। মৌখিক সাহিত্যৰ শব্দচয়ন লোকবিজ্ঞানীৰ বাবে আকৰ্ষণীয়। শব্দচয়নেই ভাষাতাত্ত্বিক সমল।

খ) জমিন (Texture) শব্দচয়ন ৰীতি। এই স্তৰত অলংকাৰ, ছন্দ, গদ্যশৈলী, সংস্কৃতি, কথক, গায়ক, সাধু কওঁতাজনৰ ব্যক্তিগত খেয়ালী ৰীতি আদি।

গ) বৰ্ণনাশৈলী (narration)

ঘ) অভিনয়কৰণ (dramatization) ঃ বিভিন্ন অংগী-ভংগীৰে কওতা বা গায়ক জনে অভিনয় কৰি পৰিবেশন কৰে।[৪০]

উক্ত ভাগকেইটা মৌখিক সাহিত্যৰ অন্যতম অংগ। মুখে মুখে চলি অহা পৰম্পৰাত বৰ্ণনা শৈলী আৰু অভিনয়ৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। মৌখিক সাহিত্যৰ বিভাগ বিলাকৰ অধিকাংশৰে অভিনয় বা পৰিবেশ্য কলাৰ লগত সম্পৰ্ক আছে। বিভিন্ন উৎসৱ-অনুষ্ঠানৰ গীত-মাতৰ লগত অভিনয় কৰণৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। মৌখিক সাহিত্যৰ অধিকাংশ গীতেই উৎসৱ-অনুষ্ঠানৰসৈতে সম্পৰ্কিত।

মৌখিক সাহিত্যৰ পাঠ বিভিন্ন দিশ বা স্তৰৰ ফালৰপৰা বিচাৰ-বিশ্লেষণ কৰিব পাৰি, যেনে— বিষয় বস্তু (Content), ৰূপ (Form), শৈলী (Style), সংযুতি (Structure), জমিন (Texture), প্ৰকাৰ্য (Function), প্ৰয়োগ (Use) আৰু অৰ্থ (Meaning)[৪১]

ভাষা সৃষ্টিৰ আগেয়ে মৌখিক লোক সাহিত্যৰ সৃষ্টি। মৌখিক সাহিত্য লোক সংস্কৃতিৰ এটা প্ৰধান ভাগ। লোক সাহিত্যৰ অধ্যয়ন কৰিবলৈ সেই জাতিটোৰ লোকসংস্কৃতিৰ কিছু পৰিচয় জনাটো প্ৰয়োজনীয়। মৌখিক সাহিত্যৰ উপাদানসমূহ

৪০ Jason, Heda : 'A Model for Narrative structure in oral Literature' in Patterns in oral Literature ed. H Jason and others, Mouton. 1977 P. 99

৪১ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃ. ৭০

প্ৰত্যক্ষ বা পৰোক্ষভাৱে লোক-সংস্কৃতিৰ লগত জড়িত। সেয়ে মৌখিক সাহিত্যৰ পদ্ধতিগত অধ্যয়নৰ বাবে লোক-সংস্কৃতিৰ জ্ঞান অপৰিহাৰ্য।

১.৪ খৃঃ ১৮৬৫ এডৱাৰ্ড টাইলাৰে সৰ্বপ্ৰথমে ব্যৱহাৰ কৰা Culture পদটোৰ মূল হ'ল লেটিন ভাষাৰ 'কোল' ধাতুজাত Colere cultura অৰ্থাৎ কুলতুৰা। ইয়াৰ অৰ্থ কৰ্ষণ কৰা। কৃষিৰ বাবে পথাৰত পুলিবোৱা বা কোৰ মৰা ক্ৰিয়াৰ নামেই কৃষ্টি আৰু তাৰ ফলস্বৰূপে পথাৰত শস্য উৎপন্ন হোৱাৰ বাবে উপযোগী যি সংস্কাৰ, ক্ষমতা বা যোগ্যতা সেয়ে সংস্কৃতি।[৪২] সেইবাবেই সংস্কৃত কৃষ্টি শব্দ আৰু লেটিন Culture শব্দৰ সম্পৰ্ক ওচৰা-ওচৰি। সংস্কৃতিৰ ইংৰাজী প্ৰতিশব্দ culture। ইংৰাজী culture শব্দৰ প্ৰতিশব্দৰূপে সুনীতিকুমাৰ চট্টোপাধ্যায়ে 'কৃতি' শব্দ ব্যৱহাৰ কৰে।[৪৩] 'সংস্কৃতি'ৰ ঠাইত কোনোৱে 'কৃষ্টি' শব্দটো ব্যৱহাৰ কৰিব খোজে কিন্তু culture শব্দৰ যি ব্যাপকতা কৃষ্টিয়ে সকলোখিনি সামৰিব মূল ধাতু হ'ল কৃষ্। 'কৃষ' ধাতুৰ লগত 'ক্তিন' প্ৰত্যয়ৰ সংযোগত কৃষ্টি শব্দৰ সৃষ্টি হৈছে। সেইবাবেই কোৱা হয় কৰ্ষণেই কৃষ্টি। 'ভূমি কৰ্ষণেই কৃষ্টি নহয়, অদৃশ্য অন্তৰীক্ষৰ শূন্যময় পথাৰ কৰ্ষণো কৃষ্টি আৰু হৃদি স্থানত বা কেৱল হৃদয়ৰ কুণ্ডলিনী চক্ৰত নাইবা মস্তিস্কৰ মগজৰ মাজত আলোড়ন তোলা মানসিক কৰ্ষনো কৃষ্টি।[৪৪]

অতি প্ৰাচীন কালৰপৰাই মানুহৰ স্বাভাৱজাত প্ৰবৃত্তিৰ উত্তৰণ ঘটাই প্ৰকৃতিৰ বিভিন্ন ৰূপক নিজৰ আয়ত্তাধীন কৰাৰ যি কৌশল সেই কৌশলেই কৃষ্টি। কৃষ্টি আৰু সংস্কৃতিৰ মাজত সামান্য প্ৰভেদ দেখা যায়। সংস্কৃতিৰ অৰ্থ আৰু ব্যাপক। বিভিন্ন সংস্কাৰৰ মাধ্যমত সামূহিক জীৱনত লাভ কৰা অৱস্থাৰ আন নাম সংস্কৃতি। মানুহে জন্মলাভ কৰে অসামাজিক (unsocial) ৰূপে আৰু সংস্কাৰৰ মাধ্যমত লাভ কৰে সামাজিক।[৪৫]

সংস্কৃতিৰ সংজ্ঞা বিভিন্নজনে বিভিন্ন ধৰণৰে দিছে। এডৱাৰ্ড টাইলাৰে সংজ্ঞা

৪২ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১

৪৩ Chattopadhyay, Suniti Kúmar : Kirata-Jana-Kriti, Culcatta, 1951, P. 11

৪৪ ৰাভা, বিষ্ণুপ্ৰসাদ ঃ অসমীয়া কৃষ্টি, পৃ. ৫৭

৪৫ 'Man is borm an asocial being : he attains Sociality by going through the Sanskars.' Majumdar, D.N & Madan, T. N.; An Introduction to social Anthroplogy, New Delhi, 1986 P. 14

দিছে এনেদৰে "...that complex whole which includes knowledge belief, art, morals, law, custom and any other capabilities and habits acquired by man as a member of society." অৰ্থাৎ সংস্কৃতি এনে এক জটিল ৰূপ য'ত জ্ঞান, বিশ্বাস, কলা, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, অন্যান্য সামৰ্থ আৰু সমাজৰ লোক হিচাপে মানুহে আহৰণ কৰা অভ্যাস আদি সকলো তাত অন্তনিৰ্হিত হৈ থাকে।[৪৬]

সংস্কৃতি সম্বন্ধে বিভিন্নজনে বিভিন্ন সংজ্ঞা দিছে। টাইলাৰৰ মতে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ বা ঐতিহ্য (Social heritage)। মালিনৱস্কিয়ে কৈছে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ। এই উত্তৰাধিকাৰ আচলতে ভৌতিক (material) আৰু অভৌতিক (non-material) উভয় উপাদানৰ সমষ্টি। কোনোৱে ইয়াক মানৱৰ দ্বাৰা সৃষ্ট পাৰিপাৰ্শ্বিক অংশবোৰেই সংস্কৃতি বুলি অভিহিত কৰিছে।[৪৭] জন হে হোনিংমাৰৰ মতে জনসাধাৰণৰ জীৱন পদ্ধতিয়েই সংস্কৃতি।[৪৮]

তথাপিও ক'ব পাৰি যে সংস্কৃতি এনে এক প্ৰক্ৰিয়া যাৰদ্বাৰা কোনো এখন দেশৰ এখন সমাজৰ সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, জ্ঞান-বিজ্ঞান, কলা আদিৰ বিষয়ে স্পষ্ট ধাৰণা ল'ব পাৰি। মানৱ জীৱন পৰিক্ৰমাৰ বিশাল অভিজ্ঞতাৰ ভাণ্ডাৰ সংস্কৃতিৰ বুকুত সোমাই থাকে।

**১.৫** সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। তিনিটা বিশাল ভগাত ইয়াক ভাগ কৰিব পাৰি— ক) অভিজাত সংস্কৃতি, খ) জনজাতীয় সংস্কৃতি আৰু গ) লোক-সংস্কৃতি।

অভিজাত সংস্কৃতি আৰু লোক-সংস্কৃতি পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। অভিজাত সংস্কৃতি লোক-সংস্কৃতিৰ তুলনাত অধিক ৰীতিবদ্ধ, সুনিৰ্দিষ্ট আৰু অধিক আত্ম-সচেতন। ইয়াক ধ্ৰুপদী সংস্কৃতিও বুলিব পাৰি। লোক-সংস্কৃতিৰ ধাৰণা স্পষ্ট হয় অভিজাত সংস্কৃতিৰ জৰিয়তে। কেতিয়াবা দেখা যায় লোক-সংস্কৃতিৰ বহা বহা খিনি অভিজাত সংস্কৃতিত গ্ৰহণযোগ্য হয়।

---

৪৬ Tylor, E. B. : Primitie Culture, Val. 1, New York, 1874, P. 1

৪৭ Herskovits, Melville. J. : Cultural Anthropology, New Delhi, 1974, P. 305

৪৮ Honigmann J. J. : Understanding Culture New Delhi, 1967 P. 3

জনজাতীয় সংস্কৃতি জনজাতি অনুসৰি ভিন্ ভিন্ হয়। এই সংস্কৃতি বাৰেৰহনীয়া। অভিজাত বা লোক সংস্কৃতিত জনজাতীয় প্ৰভাৱ পৰে আৰু জনজাতীয় সংস্কৃতিতো লোক-সংস্কৃতিৰ প্ৰভাৱ পৰা দেখিবলৈ পোৱা যায়।

১৮১২ চনত জাৰ্মানৰ জেকব গ্ৰীম আৰু উইলিয়াম জেকব নামৰ ভাতৃদ্বয়ে জাৰ্মানৰ পৌৰাণিক কাহিনী; লোককথাৰ ওপৰত ব্যাখ্যা আগবঢ়াই 'The Household Tales' প্ৰকাশ কৰে। ইংৰাজী ভাষাত ইয়াৰ দুয়োটা খণ্ড গ্ৰীম ফেইয়াৰি টেইল্‌ছ (Grimm Fatry Tales) নামে জনাজাত হয়। তেওঁলোকে এই অধ্যয়নক একেলগে সূচিত কৰিবলৈ Volkskunde নাম দিছিল। Volk ৰ অৰ্থ লোক (Folk) আৰু Skunde ৰ অৰ্থ অভিজ্ঞতা (lore)। এই অধ্যয়নৰ পিছত ১৮৪৬ চনত ইংৰাজী পণ্ডিত William Thomas এ লোকজ্ঞান বা লোক অভিজ্ঞতাক সূচিত কৰিবলৈ Folk lore শব্দটো ব্যৱহাৰ কৰিছিল। বৰ্ত্তমান Folk lore শব্দটো লোকসংস্কৃতি বা লোকবিদ্যা ৰূপে গ্ৰহণ কৰা হৈছে।

লোকসংস্কৃতিৰ জনসমাজৰ লগত অতি ওচৰ সম্বন্ধ, জনসমাজৰ পৰাই লোক-সংস্কৃতি উদ্ভুত লোকসমাজত। এই লোক সমাজখনেই গ্ৰীম ভাতৃদ্বয়ে আৱিস্কাৰ কৰা সমাজৰ নিম্ন শ্ৰেণীটো যিটো শ্ৰেণীয়ে পৰম্পৰাগত বিশ্বাস আৰু অতীজৰ ঐতিহ্য জীয়াই ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। পৰম্পৰা পুৰুষানুক্ৰমে এজনৰপৰা আন এজনলৈ একেলেঠাৰিয়ে চলি থাকে। প্ৰাক ঔদ্যোগীকৰণ অৱস্থাৰ সমাজখন পৰম্পৰাশ্ৰয়ী সমাজ আছিল। শিক্ষাৰ প্ৰসাৰ, ঔদ্যোগীকৰণে পৰম্পাৰশ্ৰয়ী সমাজখনক আধুনিকীকৰণ কৰাৰ লগে লগে লোকসংস্কৃতিৰ সমল বা উপাদানসমূহ বিলুপ্তিৰ পথলৈ গতি কৰিছে।

❑❑❑